অধ্যক্ষ ড° অঞ্জন কুমার ওজার মনর কথা...

জয় জয়তে সেইসকল ব্যক্তিলৈ শ্রদ্ধা নিবেদিছোঁ, যিসকল ব্যক্তিয়ে ছয়দুৱাৰ অঞ্চলৰ মধ্যমুল গাঁওবুঢ়ীয়ে ১৯৬৭ চনতে এখন মহাবিদ্যালয় স্থাপন কৰাৰ সপোন দেখিছিল আৰু সেই সপোনক বাস্তৱায়িত কৰাত আগভাগ লৈছিল আৰু সহযোগ আগবঢ়াই ছিল। আজি মহাবিদ্যালয়খনে গৌৰৱোজ্জ্বল 'সোণালী জয়ন্তী' উৎসৱ উদ্‌যাপনৰ প্ৰাক্কালে সমগ্ৰ ছয়দুৱাৰবাসীৰ বাবেই আৰু শুভাকাংক্ষীসকলৰ বাবেও গৌৰৱৰ কথা। ব্যক্তিগতভাবে মহাবিদ্যালয়খনৰ লগত আমাৰ সম্পৰ্ক খুব বেছি দীঘলীয়া নহয় যদিও মহাবিদ্যালয়খনক পোনপটিয়াকৈ নেতৃত্ব দিয়াৰ সুযোগ লাভ কৰিলোঁ।

২০০৫ চনৰ ৬ মে'ত মহাবিদ্যালয় তদন্তীস্তুন অধ্যক্ষাৰ অষ্টম দিগন্ত গোহাঁ-এজনৰ পৰা অপ্ৰত্যাশিত দায়িত্বভাৰ গ্ৰহণ কৰোঁ। সেই সময়ত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আছিল অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আদি বিভাগৰ মন্ত্ৰী তথা স্থানীয় বিধায়ক বিপুল কুৱৰ। এখোজ-মুখোজ কৰি মহাবিদ্যালয়খনে পঞ্চাশ বৰ্ষত ভৰি দিছেহি। সেই আপাহতে অনুষ্ঠিত এখন বাজহুৱা সভাৰ সিদ্ধান্ত অনুযায়ী ২০১৭ বৰ্ষৰ ১৪ ফেব্ৰুৱাৰীত সোণালী জয়ন্তী বৰ্ষৰ আৱজ্জনি অনুষ্ঠানৰ আয়োজন কৰা হয়। সেইদিনা মহাবিদ্যালয় চৌহদ মুখৰ হৈ পৰে মগেলময় ধ্বনিৰে। ৫০ যোৰা গায়ন-বায়ন, বৰপুত্ৰুষীয়া পৰা কুলি অন্ন মংগল জলৰ ঘটসহ ৫০গৰাকী আয়ুষী, গহপুৱৰ সুধী সমাজ, প্ৰাক্তন শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী, বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী আদিৰ মহামিলনৰ ক্ষেত্ৰত পৰিণত হয় মহাবিদ্যালয় চৌহদ। দেৱবাদ্য, উজনিৰে মুখৰ পৰিবেশত বাজি উঠে সোণালী জয়ন্তী উৎসৱৰ শীৰ্ষগীত 'আইৰ আজি ওপজা দিন' আৰু ৫০গৰাকী ছয়দুৱাৰৰ জ্যেষ্ঠ নাগৰিকে উত্তোলন কৰে ৫০খন মহাবিদ্যালয় চৌহদত ৫০গৰাকী ব্যক্তিয়ে গছপুলি। বিধায়ক উৎপল বৰাই আধাৰশিলা স্থাপন কৰে বিধায়ক উন্নয়ন পুঁজিৰ দ্বাৰা নিৰ্মাণ কৰিবলগীয়া ছাত্ৰ ভিবনি কোঠা আৰু ছাত্ৰ সংসদৰ কাৰ্যালয় ভবনৰ আধাৰশিলা। সেইদিনাই স্থাপন কৰা হয় শিক্ষক-কৰ্মচাৰীয়ে আগবঢ়োৱা ধনেৰে নিৰ্মাণ কৰিবলগীয়া নতুন কেণ্টিন, নিৰ্মাণ কৰিবলগীয়া ডিজিটেল এণ্ড ভাচুৱেল ক্লেণীকোঠা, মহাবিদ্যালয় পুঁজিৰে নিৰ্মাণ কৰিবলগীয়া বনয়ান বিজ্ঞান বিভাগ আৰু পদাৰ্থ বিজ্ঞান বিভাগৰ পৰীক্ষাগাৰ আৰু শ্ৰেণীকোঠাৰ দুমহলীয়া ভবনৰ আধাৰশিলা। ইতিমধ্যে আটাইকেইটা ভবনৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈ উঠিছে। বিভিন্ন অনুষ্ঠিত মুকলি সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে ওৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° মুদুল হাজৰিকা, বেঙৰ ড° হৰিপ্ৰসাদ শৰ্মা আৰু সাহিত্য অকাডেমি বঁটাগ্ৰাহক জ্ঞান পুজাৰীবৰে।

সোণালী জয়ন্তী মহোৎসৱ হৈছে অতীত আৰু বৰ্তমানৰ সংযোগেৰে সোণালী ভবিষ্যতৰ সপোন বচাব, প্ৰত্যয় গোটোৱাৰ উৎসৱ। ছয়দুৱাৰ মহাবিদ্যালয়ে বহু ঘাত-প্ৰতিঘাতৰ মাজেৰে আহি আজিৰ পৰ্যায় পাইছেহি। এটা শিক্ষানুষ্ঠানে নিজকে উৎকৰ্ষ সাধনৰ কেন্দ্ৰ হিচাপে পৰিষ্কাৰ দিব পাৰিব লাগিব। ছাত্ৰ-ছাত্ৰীৰ সৰ্বোত্তম বিকাশৰ বাবে প্ৰশস্ত কৰিব পাৰিব লাগিব। ছয়দুৱাৰ মহাবিদ্যালয়ত প্ৰাতঃতোষক শ্ৰেণী প্ৰৱৰ্তন কৰাৰ সময় আহি পৰিছে। Integrated N.Ed.ৰ দৰে পাঠ্যক্ৰম খোলাৰ প্ৰয়োজন হৈছে। অধিক বৃত্তিমুখী পাঠ্যক্ৰম প্ৰৱৰ্তন কৰি কৌশলী ব্যক্তি সৃষ্টিত অধিক গুৰুত্ব দিব লাগিব। মূল্যবোধযুক্ত শিক্ষা ছাত্ৰ-ছাত্ৰীক দিব পাৰিব লাগিব। অনাগত দিনত এই অনুষ্ঠানক এক সৰ্বোত্তম প্ৰতিভা বিকাশৰ কেন্দ্ৰ কণে গঢ়ি তুলিবলৈ সকলোয়ে সকৰহ লওঁ আহক। এই সোণালী জয়ন্তী মহোৎসবে নিয়ক আমাক আগুৱাই যোৱাৰ উৎকৃষ্টতাৰ অনুপ্ৰেৰণা আক প্ৰত্যয়।

অসমৰ শিক্ষানুষ্ঠান

গৌৰৱোজ্জ্বল সোণালী জয়ন্তী বৰ্ষ

ছয়দুৱাৰ মহাবিদ্যালয়

'সোণালী আজী', এটি বাদুলনা শব্দ। অৰ্থে দুখি যন্ত্ৰণা আৰোগ-অনুভূতি, আশা-হতাশা, সোণ-লোপোনাৰ এটি মেটমৰা লোভা লৈ বহু প্ৰতীক্ষাৰ অন্তত আহি পাহাৰি সোণালী জয়ন্তী। দিকোচা শিক্ষানুষ্ঠানৰ সোণালী জয়ন্তী বুলি ক'লেই সেই অনুষ্ঠানৰ লগত জড়িত আবাল-বৃদ্ধ-বনিতা সকলোৰে মন আবেগত, আনন্দত, হৈ পোহত পুলকিত হৈ পৰে। সকলোৰে মেন মনৰ মাজলৈ অগা-উজা কৰে শুভ আৰম্ভ কৰে অতীতৰ বহু স্মৃতিয়ে। কবি শুভ আৰম্ভ কৰে অতীতৰ বহু স্মৃতিয়ে। বগাজী জয়ন্তী, সোণালী জয়ন্তী আদি উদ্‌যাপনৰ অবিহতে বিভিন্ন অনুষ্ঠানসমূহে উজনি চায় নিয়ৰে। আকৌ এবাৰ উজনি গাবলৈ বিগৰে জীৱনৰ সোণালী দিনবোৰলৈ। সোণালী জয়ন্তী, ই কেতন অতীতৰে গীমানদহ'ৰ নোহোজে। গছন বহুবীয়া জীৱন পৰিক্ৰমা অতিক্ৰম কৰি আহি ই হৈ পৰে চঞ্চল, প্ৰাণৱন্ত, পৰিবক্ত। সোণালী জয়ন্তী উদ্‌যাপনৰ অবিহতে বিভিন্ন অনুষ্ঠানসমূহে পূৰ্বৰ বৈ যোৱা ভুল-ত্ৰুটিসমূহ শুধৰাই নতুন সপোন বহে সোণালী ভবিষ্যতৰ। নতুন নাটৰে সমন্বয় লগত আঁচ মিলাই আগুৱাই যোৱা বাস্তৱ পৰিকল্পনা হাতত লয়।

এতিয়া সোণালী জয়ন্তীৰ পদুলিত উপস্থিত হৈছেই ছয়দুৱাৰ মহাবিদ্যালয়। ১৯৬৭ চনৰ শ্ৰীপঞ্চমী তিথিত অৰ্থাৎ সৰস্বতী পূজাৰ দিনাই বৃহত্তৰ ছয়দুৱাৰ অঞ্চলৰ কেইজনমান উচ্চমানুহী তথা সৰবৰহী ব্যক্তিৰ আগ্ৰাণচেষ্টা প্ৰচেষ্টাত প্ৰতিষ্ঠা কৰা হৈছিল এই মহাবিদ্যালয়। সেই সময়ত তুলনামূলকভাবে লিহপৰা ছয়দুৱাৰ অঞ্চলৰ মাজমাজিয়াত প্ৰতিষ্ঠিত এই ছয়দুৱাৰ মহাবিদ্যালয়ে ছাত্ৰীয়ৰ বাহিৰৰ আশীৰ্বাদ শিকৰ লৈ নগণ্যকৰ আশা-আকাংক্ষাৰ বাজৰ কণ দিবৰ বাবে নিজ লক্ষত আগবাঢ়ি যে অতি কম সময়ৰ ভিতৰতে অসমৰ এক উজ্জ্বলতম শিক্ষানুষ্ঠান হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। ১৯৮৮ চনত পুহিতন পাৰ্ট ডিগ্ৰীমহাবিদ্যালয়ে সংকল্প লোৱা ছয়দুৱাৰ মহাবিদ্যালয় ১৯৯৭ চনত ছয়দুৱাৰ অঞ্চলটোৰ সমগ্ৰ ছাত্ৰ-ছাত্ৰীৰ শোষৰ বিলিউনি, গাঁও সভাৰ চৰাজন পাৰ্ব ডিগ্ৰিকেইটি দুখ দাৰি উটিছিল ছয়দুৱাৰ মহাবিদ্যালয়ে। পঞ্চাশ বছৰীয়া জীৱন সংগ্ৰামৰ অতি ক্ৰম কবি আহি আজি ছয়দুৱাৰ মহাবিদ্যালয়ে উনবিংশ শতাব্দী সোণালী জয়ন্তীৰ দুৱাৰমুখলিছে। আজি উনবিংশ-বুঢ়ীয়ে যে পৰিছে ছয়দুৱাৰ মহাবিদ্যালয়ৰ পদুলি। ২০১৭ চনৰ ১৪ ফেব্ৰুৱাৰীৰ পৰা ২০১৮ চনৰ ১৩ ফেব্ৰুৱাৰীলৈ বহুবছোৱা কাৰ্যসূচীলৈ সোণালী জয়ন্তী উদ্‌যাপনৰ পৰিকল্পনা লৈ এতিয়া আছি প্ৰাপ্তত, আছি আশাবাদী হৈ উঠিছে ছয়দুৱাৰ মহাবিদ্যালয়। বাস্তৱ ৰূপায়ণৰ সময়োপযোগী পদক্ষেপবে এতিয়া আমদুৰণ মহাবিদ্যালয়ে ধৰিছে সোণালী ভবিষ্যতৰ সপোন।

শৈক্ষিক তথা বৌদ্ধিক গৰাকৰণ সৃষ্টিত ছয়দুৱাৰ মহাবিদ্যালয় সমল হৈছে সৃষ্টি ক'ত পাৰি। এই মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা বিভাগে প্ৰতি বছৰে বাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰ, বকশপ আৰু বিভিন্ন সন্মাণত সভাৰ আয়োজন কৰি আহিছে। গবেষণাৰ ক্ষেত্ৰত অধ্যাপক অধ্যাপিকা সকলে বন্ধুৰ আগ বাঢ়ি গৈছে। বৰ্তমানলৈকে ২৪গৰাকী শিক্ষকে দি এইচ ডি, ১৯গৰাকী শিক্ষকে এম ফিল সম্পন্ন কৰিছে। ৫গৰাকী শিক্ষকে বি এড ডিগ্ৰী লাভ কৰিছে। ৫গৰাকী শিক্ষকে পি এইচ ডি ডিগ্ৰীৰ বাবে গবেষণা কৰি আছে। ১১গৰাকীয়ে মেজ' আৰু অণবাকীয়ে মাইনৰ প্ৰজেক্ট সম্পন্ন কৰিছে। ৫গৰাকী অধ্যাপকে পোষ্ট ডক (Post Doc) গবেষণাৰ সম্পন্ন কৰিছে। তদুপৰি ছেই ব্যাপকাকী অধ্যাপক-অধ্যাপিকাই লাইপুথি গ্ৰন্থক কৰাৰ সপোন পূৰণ কৰিছে। শিক্ষকে আজুকাৰীয়ে আৰু কাষ্টিল পাণ্ডাৰ গবেষণা পত্ৰ গ্ৰন্থক কৰাৰ লগতে ৩৯খনি গ্ৰন্থ প্ৰকাশ কৰিছে।

ছয়দুৱাৰ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ সম্পূৰ্ণ Digital হোৱাৰ লগতে ইয়াত ২৯,৮০০ কিতাপ, ৪৫খন মাহেকীয়া আলোচনী আৰু চৰাণ বাষ্ট্ৰিকতাত পোৱা যায়। এই গ্ৰন্থাগাৰ Computerised কৰা হৈছে।

স্বপ্না কাকতি
সহকাৰী অধ্যাপিকা, ইতিহাস বিভাগ

শুভাকাংক্ষীৰ দৃষ্টিৰে...

গজেন বৰুৱা
অৱসৰপ্ৰাপ্ত অধ্যক্ষ

সকলো বাধাৰ প্ৰাচীৰ ভাঙি ছয়দুৱাৰ মহাবিদ্যালয়ে নিজ গতিত আগবাঢ়ি এখন লেখত ল'ৰালীয়া কলেজ হিচাপে পৰিণতি হ'ল। কলা শাখাৰ সকলো বিষয়তে অনাৰ্ছ পাঠক্ৰম (বৰ্তমান যাণ্মাসিক পাঠক্ৰম) প্ৰৱৰ্তন কৰা হ'ল আৰু লাহে লাহে বিজ্ঞান শাখা প্ৰৱৰ্তনৰ বাবে চিন্তা-চৰ্চা প্ৰবল হোৱা পৰিলক্ষিত হ'ল। ১৯৭৭ চনৰ ১ জুলাইৰ পৰা ছয়দুৱাৰ মহাবিদ্যালয়ে পূৰ্ণাংগ অগ্ৰহ্যা পালে। ছাত্ৰ-ছাত্ৰী, বাইজৰ প্ৰবল চাহিলাত লক্ষ্য কৰি বিজ্ঞান শাখা খোলাৰ প্ৰস্তুতি খৰতকীয়া হ'বলৈ ধৰিলে।



বংশী বৰা, প্ৰাক্তন ছাত্ৰ তথা বিশিষ্ট কবি

কলেজ জীৱনতে এটা পণ লৈছিলোঁ— 'ম'তে নাথাকোঁ, যি কামেই নকৰোঁ, মুঠতে ভিৰৰ মাজত হেৰাই নাযাবৰৈ প্ৰাণপণে চেষ্টা অব্যাহত বাখিম। নাজানো আজি সেই পণ বক্ষা কৰিব পাৰিছোঁনে নাই। এখন নতুন কলেজৰ এগৰাকী আলোচনী সম্পাদকক শিক্ষাৰীসকলে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰাৰ মৰ্যাদাকণ সুবক্ষিত কৰি বাখিব পাৰিছোঁনে নাই। সেই কথা সমকালীন সমাজে নিশ্চয় বিচাৰ কৰিব।

সাহিত্যিক সমাজৰ দাপোণ কপে অভিহিত কৰা হয়। তেনে দাপোণত নিজ প্ৰতিবিম্বনে সততে লক্ষ্য কৰি জীৱন পাত কৰিব খোজাৰ বাটত ভৰি নিপিছলিকে কিবা কৰিব পাৰিছোঁনে নাই, সেয়াও বিচাৰ কৰিব টোপাশৰ বাইজে। জীৱনত কেতিয়াও অহেতুকভাবে আগলৈ দৌৰি থকাজনক অনুসৰণ কৰি দৌৰিব খোজা নাই, দৌৰিব লাগিলেও কাৰোবাক সুধিছোঁ, তেওঁ যে দৌৰিছে কিয় দৌৰিছে; সদুত্তৰ পালেহে, দৌৰাৰ কাৰণ জানিলেহে যা নিজৰ মনঃপুত হ'লেহে দৌৰ এটা মৰাৰ প্ৰয়াস কৰিছোঁ। সাধ্যানুসাৰে আনৰ কল্যাণৰ কামত ব্ৰতী হৈ থকাৰ বাবে সততে যত্নৱন্ত কৰিছোঁ। কিমান সফল বা বিফল হৈছোঁ, তাক চালি-জাৰি চোৱাৰ দায়িত্ব সমাজখনৰ।

ভুবন চন্দ্ৰ বৰা
প্ৰাক্তন ছাত্ৰ তথা নিবন্ধকাৰ

১৯৬৭ চনৰ পৰিবেশে এতিয়া নাই। এতিয়া আমাৰ ঐহিবোৱত কেৱল শিক্ষাৰ বিস্তাৰেই নহয়, 'স্থানীয়' আৰু 'বিশ্বজনীন'ভাৱে বিশেষীকৃত জ্ঞানৰ বিকাশৰো প্ৰয়োজন আহি পৰিছে। সেইবাবেই ভাবোঁ 'ছয়দুৱাৰ বিশ্ববিদ্যালয়' গঠনৰ নতুন চিন্তাৰ প্ৰয়োজন হৈছে। বিশেষীকৃত জ্ঞানৰ বিকাশেৰে 'ছয়দুৱাৰ বিশ্ববিদ্যালয়' স্থাপনৰ বিষয়ে এই সোণালী জয়ন্তীৰ ফলশ্ৰুতিই প্ৰস্তাৱ গ্ৰহণ কৰিব পাৰোঁ। সোণ ফলাৰ পৰা এই লেখাৰ জন্মিৰাতেই প্ৰস্তাৱ আগবঢ়ালোঁ। সোণালী জয়ন্তীৰ ফলত আমাৰ পূৰ্বসূৰীৰে (১৯৬৭) চিন্তন, আকাংক্ষাক আৰু অধিক গতি প্ৰদান কৰাৰ এয়াই পাখোৱা। ১৯৬৭ চনত বহুতেই হয়তো ভাবিছিল এনে ঠাইত কলেজ আসন্ন। ২০১৮ চনত বহুতেই হ'য়তো ভাবিব পাৰে, বিশ্ববিদ্যালয় অসম্ভৱ। অন্ততঃ গছপুৱত। চিন্তনৰ গতীবতা লাভ কৰিলে কোনে জানে আজি জন্ম নোলোৱা এখন পৃথিবীয়ে ২০৫০ চনত এখন শ্ৰেষ্ঠ জ্ঞানৰ আলয় হৈ উঠিব। তেতিয়াহে সম্ভৱ হ'ব কালামৰ উন্নত ভাবভৱ সপোন। প্ৰকৃত অৰ্থত। ছয়দুৱাৰ কলেজ সঁচাকৈয়ে মোৰ বাবে এখন আকাশ। এখন জ্ঞানৰ আলয়।

ড° জয়ন্ত কৃষ্ণ শৰ্মা
প্ৰাক্তন ছাত্ৰ তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক

ছয়দুৱাৰ মহাবিদ্যালয়ৰ ছাত্ৰ আছিলোঁ বাবেই গৌৰব কৰিব পাৰোঁ।

ছয়দুৱাৰৰ সাহিত্য-সংস্কৃতিৰ জীপাল পথাৰখনে অসমীয়া ভাষাক জ্যোতিষ্মতী কৰাত অৱদান অসীম। ছয়দুৱাৰৰ কেঁচা মাটিৰ সঁচা সপোনৰ মাজত অসমৰ সাহিত্য-সংস্কৃতিৰ উজ্জ্বল চিত্ৰখন কোনে পাহৰিব বাৰু? অসমৰ সাহিত্য-সংস্কৃতিৰ পথাৰৰ পৰা জগতসভালৈ যোৱা বাতৰি 'জয়মতী' ছবি, বীবত্বৰ ইতিহাসত 'কনকলতা' আৰু 'মৃত্যুঞ্জয় কাকতি'ক কোনে পাহৰিব পাৰিবনো বাৰু? অসম সাহিত্য সভাৰ মৌচাক 'ধনত পৰিষ্টাংশাংক সাহিত্যসেৱী ছয়দুৱাৰৰ হবিবিলাস আগৰবালা, আনন্দচন্দ্ৰ আগৰবালা, চন্দ্ৰকুমাৰ আগৰবালা, জ্যোতিপ্ৰসাদ আগৰবালা, হেম বৰুৱা, লক্ষ্মীধৰ বৰা আৰু অকণোনাসহ বেছিকৈ লিখা-মেলা কৰা মানুহজন 'নিদিলিচি ফাৰবেল', নিধিমান কেণ্ডী। আনকি উপন্যাস সাহিত্যত একেটা পৰিয়ালত দুই ভাঠু ক্ৰমে অকণ শৰ্মা আৰু অপূর্ব শৰ্মাই 'সাহিত্য একাডেমী' বঁটা লাভ কৰাৰ দৃষ্টান্ত ছয়দুৱাৰৰ। শ্ৰদ্ধাৰ জ্ঞান পূজাৰীয়ে 'মেঘমাল্লাৰ ভ্ৰমণ' কবিতাপুথিৰ বাবে ২০১৬ চনত সাহিত্য একাডেমী বঁটা লাভ কৰি আমাক আকৌ প্ৰেৰণা দিলে। কবি তৰুণ বৰুৱাই কবিতাৰ চোতালখনত ভাল শহিচৰ চৰ্চা কৰি থকা পৰিলক্ষিত হৈছে। 'মাধৱী' উপন্যাস মাজেৰে আত্মপ্ৰকাশ কৰা ড° হোমেশ্বৰ দিহিঙীয়ই 'গীতাঞ্জলি'খন অসমীয়ালৈ অনুবাদ কৰি অসমীয়া সাহিত্যলৈ অভিনৱ বৰঙণি আগবঢ়ালে। সাহিত্য চৰ্চা তথা সাংবাদিকৰ সুকীয়া আসনত থকা শ্ৰদ্ধাৰ নগেন কৌৱৰ এগৰাকী সু-প্ৰসিদ্ধ কবিও। সমাজৰ কেঁচা মাটি আৰু সঁচা সপোনৰ লগত নিবলসভাবে লাগি আছে। ছয়দুৱাৰক উজ্জ্বল কৰাত প্ৰত্যয় তিলক চন্দ্ৰ শৰ্মা, কোহেশ্বৰ বৰুৱা, নবীন কাথ হাজৰিকা, কেশব চন্দ্ৰ হাজৰিকা, বাহাদুৰ শইকীয়া, ব্ৰজেন বৰুৱা, নলিনী হাজৰিকা, নবীন হাজৰিকা আৰু বহুতৰ অৱদান উল্লেখযোগ্য আছিল।

ছয়দুৱাৰ কলেজখনক উজ্জ্বল উত্তৰণৰ শিখৰলৈ লৈ যোৱাৰ প্ৰচেষ্টাত ড° অঞ্জন কুমাৰ ওজাৰ ঐকান্তিক প্ৰচেষ্টা, ত্যাগ আৰু কঠোৰ শ্ৰমক কোনেও পাহৰি নোযাৰোঁ। ওজাদেৱ এটিয়া ছয়দুৱাৰৰ সাহিত্য-সংস্কৃতি আৰু সমাজৰ এজন সদস্য।

মহেন্দ্ৰ গগৈ, প্ৰাক্তন ছাত্ৰ তথা শিক্ষক

কলেজীয়া জীৱনৰ দীঘলীয়া সময়ছোৱা আমি যেন কলেজৰ এক অংগ হৈ পৰিছিলোঁ। ছাত্ৰ-ছাত্ৰীসকলৰ লগতে শিক্ষাগুৰুসকলৰ লগতো বহুতখিনি গুৰুত্বপূৰ্ণ সম্পৰ্ক স্থাপন হৈছিল, যি সম্পৰ্ক এতিয়াও অক্ষুণ্ণ আছে। বিজ্ঞান শাখা প্ৰৱৰ্ত্তন, লাইব্ৰেৰী উন্নীতকৰণ, কলেজৰ সম্মুখত তোৰণ নিৰ্মাণ, বৃক্ষৰোপণ আদিকি শিক্ষক-কৰ্মচাৰী নিযুক্তি দিয়া আদি আভাস্তৰীণ দিশবোৰে চিন্তা কৰাৰ সুযোগ পাইছিলোঁ। কলেজীয়া জীৱনৰ অনেক স্মৃতি, অনেক ঘটনা-পৰিঘটনাই মোৰ গাই আছে আমাৰ হৃদয়, মনত। সেই সকলোবোৰ এই সক লেখাত প্ৰকাশ কৰাটো সম্ভৱ নহয়। মাথোঁ চেলেকা-চুৰুমাঁয়াকৈ কৃমুকি মাৰিছোঁ। কিমান যে বাতি উজাগৰে কটালোঁ, কলেজনত। সবস্বতী পূজাৰ আগদিনাই বাতিবোৰ, NSS কেম্প, কলেজ পুঁজিৰ বাবে অনা চাকাছ, ঘিয়েটাৰ, কলেজ সপ্তাহ, ফাংচনৰ সময়ৰ কথা। সেই সময়ত গহপুৰত এদল বৰ উদহ লাখা আছিল। ফাংচনৰ বাতি সিহঁতে পাছলৈৰ পৰা বৰ হাস্য কবে। ছাৰ-বাইদেউসকল উঠি যাবলৈ বাধ্য হয়। এবাৰ অধ্যক্ষ বৰুৱা ছাৰে ছাত্ৰ সংসদৰ কাৰ্যনিবাহকত ক'লে— 'নোবাবি আক বুজিছা, সেইমথাৰ অসভ্যালি বহুবি বহুবি বাঢ়িছে আহিছে। ম'ই ক'লো— ছাৰ চিন্তা নকবিব, সিহঁতক মেনেজ কবিব বাবে মই এটা বুদ্ধি পাতিছোঁ!' ছাৰে ক'লে— 'কি বুদ্ধিহে।' মই পাতি থকা বুদ্ধিটা শুনি ছাৰে বহা পালে। দাদাসকলৰ বাবে একেবাৰে সম্মুখত দুই লাইন চকী সংবক্ষণ কবি বখা হ'ল। ফাংচন আৰম্ভ হোৱাৰ কিছু সময়ৰ পাছত দাদাসকল আহি হলঘৰটোৰ পশ্চিমফালৰ বাবান্ডত থিয় হ'লহিঁ। আমি আগতেই ফিটাং কবি থোৱা ব্ৰেজাৰ পৰিহিত ইউনিয়নৰ বিষয়বৰীয়াকেইগৰাকীয়ে তেখেতসকলৰ বব আদব-সাদৰ কবি সংবক্ষিত আসনলৈ আগবঢ়াই নিবলৈ আহিলোঁ। প্ৰথমে তেওঁলোক মাস্তি হোৱা নাছিল। 'নাই নাই, আমাৰ ইয়াতেই ঠিক আছে।' 'নহয় নহয়, কিয় তেনেকৈ কৈছে? আপোনালোক ছিনিয়ৰ, আমাৰ অতিথি।' শেষত তেওঁলোক বহিলগৈ। তেওঁলোকৰ আপ্যায়নৰ বাবে ব্যবস্থা কবি বখা হৈছিল। তামোল-পাণ, চাহ আদি সদ্যনই যচা হৈছিল। সঁচাই সেই বাৰ ফাংচন কোনো হৈ-হাল্লা নোহোৱাকৈ শান্তিপূৰ্ণভাবে সমাপ্ত হ'ল। পিছদিনা অপ্ৰত্যক্ষ মহেদেয়ে মোক পিঠিত চপৰিয়াই বাঃ বাঃ দিলে।

অনন্ত শইকীয়া
প্ৰাক্তন ছাত্ৰ তথা কবি

১৯৮৪ চনৰ পৰা ১৯৮৯ চনলৈ মই ছয়দুৱাৰ মহাবিদ্যালয়ত অধ্যয়ন কাৰিছিলোঁ। আমি পঢ়া কালত মহাবিদ্যালয়ৰ প্ৰাকৃতিক সৌন্দৰ্য সঁচাকৈ অতি আকৰ্ষণীয় আছিল। এটা মনোৰম প্ৰাকৃতিক পৰিবেশেৰে পৰিবেষ্টিত মহাবিদ্যালয়। সেই সময়ত আজিৰ দৰে আধুনিক বিল্ডিংবোৰ নাছিল যদিও সুন্দৰ এটি শৈক্ষিক পৰিবেশেৰে সৌষ্ঠব উচ্চ শিক্ষানুষ্ঠানটি। বাবিষা বতৰত বানপানীৰ কবলত পৰিছিল যদিও গাঁৱৰ লৰা হিচাপে আমাৰ ভালেই লাগিছিল। ছাত্ৰৰ বাবে প্ৰস্তাবাগাৰৰ অৱস্থা অতি বেয়া আছিল। শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীৰ সম্পৰ্ক অতি নিবিড় আন্তৰিকতা আছিল। সকলো সময়তে সহায়ৰ প্ৰয়োজন হ'লে শিক্ষাগুৰুসকলৰ পৰা সহযোগিতা পোৱা গৈছিল। মই ছয়দুৱাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ হিচাপে মোৰ অতি মমৰম মহাবিদ্যালয়খনে সোণালী জয়ন্তী বৰ্ষ গৰকাৰ বাবে গৌৰববোধ কৰিছোঁ। জয়তু ছয়দুৱাৰ মহাবিদ্যালয়।

আনন্দ পাটিৰি, প্ৰাক্তন ছাত্ৰ

ছয়দুৱাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ১৯৮৮-৮৯ বৰ্ষৰ সাধাৰণ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কবি বলে পাই মই নিজে গৌৰৱবোধ কৰোঁ। অতি নিষ্ঠা আৰু সততাবে আমাৰ সমুহ বিষয়বস্তুবীয়ই কাৰ্যনিৰ্বাহ কবিছিল। শিক্ষাক্ষেত্ৰখনৰ বাহিৰিবণ বেগিং নিৰ্মূলৰ বাবে আমি বিশেষ পদক্ষেপ হাতত লৈছিলোঁ। নাট্যকলা ক্ষেত্ৰত বিভিন্ন সময়ত একাংকিকা নাটক প্ৰতিযোগিতা অনুষ্ঠিত কবিছিলোঁ। এইক্ষেত্ৰত সেইসময়ৰ আলোচনী সম্পাদক তৰুণ শইকীয়া, ঐতী৷ সম্পাদক তিলক দিহিঙীয়া আৰু কৃষ্টি সম্পাদক বৰীন্দ্ৰ কাকতিয়ে যথেষ্ট সহায় কবিছিল।

অশ্বিনী বৰমুদৈ, প্ৰাক্তন সাধাৰণ সম্পাদক

২০১৫ বৰ্ষত ঐতিহ্যমণ্ডিত ছয়দুৱাৰ মহাবিদ্যালয়ৰ বাণিজা শাখাত নামভর্তি কবিছিলোঁ। মহাবিদ্যালয়খনত নামভর্তি কবাৰ দিনবে পৰা প্ৰতিটো অনুষ্ঠান, কার্যসূচীৰ সৈতে ওতপ্রোতভাবে জড়িত হৈ পৰিছিলোঁ। সন্মানীয় শিক্ষাগুৰু, কর্মচাৰীসকলকে ধবি ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰিয়পাত্ৰ হৈ পৰিছিলোঁ। যাব বাবে সকলোবে

সঁহাবি লাভ কবি ২০১৫-১৬ বৰ্ষৰ আলোচনী সম্পাদক হিচাপে দায়িত্ব লাভ কবিছিলোঁ আৰু এই নেতৃত্বসুলভ গুণটোবে মোক পৰবৰ্তী সময়ত আগবাঢ়ি যোৱাত বহু পৰিমাণে সহায় কবিছে। কবি, নিবন্ধকাৰ তথা ছয়দুৱাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ দিগন্ত গোহাঁঞি ছাৰে ধলনা কৰা 'মহাণ্ডালয়' শীৰ্ষক সংগীতটি বাণীবদ্ধ কৰাৰ এক প্ৰয়াস কবিছিলোঁ, গিবোৰ কামে মোৰ মনত আত্মবিশ্বাসৰ জন্ম দিছিল। এটা কথা মোৰ ভাল লাগিছিল যে যি কামেই নকৰোঁ কিয়, অধ্যক্ষ ড° অঞ্জন কুমাৰ ওজা ছাৰৰ আশাব্যঞ্জক অভিযাই পাইছিলোঁ। মোৰ প্ৰতিটো অনুষ্ঠানতে বাজেচ ঘাষ্টিঃ হ'লে ছাৰে নিজৰ মনমহাৰ পৰা সেই ধনৰাশি ব্যয় কবিছিল, ঘিটো মই কেতিয়াও পাহৰিব নোৱাবোঁ। মহাবিদ্যালয় কর্তৃপক্ষৰ সঁহাৰিৰ বাবেই বি কম আৰু টেলিভিছন সাংবাদিকতাৰ পাঠ্যক্ৰম এখন সময়তে সম্পন্ন কবিব পাৰিলোঁ। আমি ছয়দুৱাৰ মহাবিদ্যালয়ৰ মজিয়াতে বহি ড° ভাস্কবজ্যোতি গগৈ ছাৰৰ তত্ত্বাবধানত সাহিত্য-সংস্কৃতিৰ অনুষ্ঠান 'অনুবাগ' জন্ম দিছিলোঁ। কথাখিনি লিখোতে নষ্টালজিক হৈ পৰিছোঁ। এতিয়া বিচাৰিলেও ঘুবাই নাপাওঁ সেই সোণালী দিনবোৰ...

আজি মহাবিদ্যালয়খন গৌৰবোজ্জ্বল অৰ্থশতিকৰ্ষ কিবীতিবে মহিমামণ্ডিত। এই পবিত্ৰ ক্ষণত এগৰাকী প্ৰাক্তন ছাত্ৰ হিচাপে মহাবিদ্যালয়খনৰ প্ৰতি মোৰ আন্তৰিকতা ব্যক্ত কবিলোঁ। প্ৰতিবেদনটি যুগুত কবা বিপুল কুমাৰ দিহিঙীয়াদাক অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কবিছোঁ। মোক এই সুযোগকণ দিয়াৰ বাবে। আচলতে প্ৰিয় মহাবিদ্যালয়খনৰ কথা লিখি থাকিলে ওৰকে নপবিব। বহু স্মৃতি, বহু ভাল লগা মুহূর্ত জড়িত হৈ আছে ছয়দুৱাৰ মহাবিদ্যালয়ক লৈ... জয়তু